# খণ্ড-২ গোট-II ঃ ভোজনবেহাৰ নাট
# (One-act play: *Bhojanbehar naat* by Madhavdeva)

## গাঁথনি

২.২.১ পাতনি
- ২.২.১.১ পৰিচয়
- ২.২.১.২ উদ্দেশ্যাৱলী

২.২.২ মাধৱদেৱৰ *ভোজনবেহাৰ* নাট
- ২.২.২.১ মাধৱদেৱ আৰু তেওঁৰ ৰচনাৱলী
- ২.২.২.২ ঝুমুৰা
- ২.২.২.৩ *ভোজনবেহাৰ* নাটৰ কথাবস্তু
- ২.২.২.৪ *ভোজনবেহাৰ* নাটৰ উৎস
- ২.২.২.৫ *ভোজন বেহাৰ* নাটখনৰ অসম্পূৰ্ণতা
- ২.২.২.৬ *ভোজন বেহাৰ* নাটত *আদি দশমৰ* প্ৰভাৱ আৰু মাধৱদেৱৰ মৌলিকত্ব
- ২.২.২.৭ *ভোজন বেহাৰ* নাটকখনিৰ ৰস
- ২.২.২.৮ *ভোজন বেহাৰ* নাটত কৃষ্ণৰ দুতৰূপীয়া চৰিত্ৰ

২.২.৩ সাৰাংশ

২.২.৪ শব্দটোকা

২.২.৫ অনুশীলনী
- ২.২.৫.১ বোধজ্ঞানৰ অনুশীলনী
- ২.২.৫.২ বৈয়াকৰণিক অনুশীলনী
- ২.২.৫.৩ পাঠন অনুশীলনী
- ২.২.৫.৪ লিখন অনুশীলনী

২.২.৬ উত্তৰ সংকেত

২.২.৭ অতিৰিক্ত পঠন উপদেশ

ignou
THE PEOPLE'S
UNIVERSITY

## ২.২.১ পাতনি

### ২.২.১.১ পৰিচয়

ত্ৰয়োদশ-চতুৰ্দশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষ জুৰি যি নৱবৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হৈছিল তাৰ আঁত ধৰি অসমত শংকৰদেৱ আৰু মাধৱদেৱৰ নেতৃত্বত বৈষ্ণৱ ধৰ্মৰ নৱজাগৰণৰ সূত্ৰপাত হৈছিল। এই নববৈষ্ণৱ ধৰ্মৰ আঁত ধৰিয়ে নাট-গীত আদি সাহিত্য-চৰ্চাও আৰম্ভ হয়। উল্লেখযোগ্য যে, শংকৰদেৱে সমকালীন অসমীয়া ভাষাৰ আশ্ৰয়ত গঢ় দিয়া ব্ৰজাৱলী ভাষাত ‘অংকীয়া নাট’ নামেৰে এক শ্ৰেণীৰ নাট ৰচনা কৰি ইয়াৰ অভিনয়ৰ পৰম্পৰা আৰম্ভ কৰিছিল, সেই সময়ত ভাৰতবৰ্ষৰ কোনো প্ৰান্তীয় ভাষাতে লিখিত ৰূপত নাট ৰচনা হোৱা নাছিল । শংকৰদেৱৰ অতি প্ৰিয় শিষ্য মাধৱদেৱে গুৰুজনাৰ আদৰ্শ লৈয়ে শ্ৰীকৃষ্ণৰ বাল্যকালক কেন্দ্ৰ কৰি ঝুমুৰা নামৰ এক শ্ৰেণীৰ নাটকৰ জন্ম দিয়ে। এই নাটবোৰ চুটি আৰু শিশু উপযোগী। বোধহয় ভাৰতীয় প্ৰান্তীয় ভাষাৰ নাট্য পৰম্পৰাত ঝুমুৰাসমূহেই প্ৰথম শিশু উপযোগী নাটৰ উদাহৰণ। গতিকে মাধৱদেৱৰ ঝুমুৰাসমূহৰ বিষয়ে অধ্যয়ন কৰিলে একেলগে শংকৰদেৱৰ নৱবৈষ্ণৱ দৰ্শন আৰু মাধৱদেৱৰ সাহিত্য প্ৰতিভাৰ অনন্য উদাহৰণ বিচাৰি পোৱা যায়।

মাধৱদেৱৰ *ভোজনবেহাৰ* ঝুমুৰাখন এখন অসম্পূৰ্ণ নাট। কিন্তু এই অসম্পূৰ্ণ নাটখনত তেওঁৰ দৰ্শন আৰু পৰিপূৰ্ণ সাহিত্য-প্ৰতিভাৰ উমান পোৱা যায়। নাটখনিত বাৎসল্য প্ৰসংগ উত্থাপনত মাধৱদেৱৰ দক্ষতা আৰু কাব্য প্ৰতিভা পৰিস্ফুট হৈছে। পঞ্চদশ শতিকাতে কিদৰে একশৰণ নামধৰ্মই সৃষ্টি কৰা বাতাবৰণত শিশু উপযোগী নাটৰ যোগেদি অভিনয় প্ৰতিভা প্ৰদৰ্শনৰ বাবে সুযোগ লাভ

কৰিছিল তাৰ উপযুক্ত উদাহৰণ *ভোজনবেহাৰ নাট*ৰ দৰে ঝুমুৰাবোৰ। এই ঝুমুৰাখনৰ অধ্যয়নে আপোনালোকক অসমীয়া সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত শংকৰদেৱৰ সমকালীন সাহিত্যৰ সাহিত্যিক গুণাৱলী, অন্তনিৰ্হিত দৰ্শন আৰু ৰচনাশৈলী সম্পৰ্কত ধাৰণা কৰাত সহায় কৰিব পাৰে।



### ২.২.১.২ উদ্দেশ্যাৱলী

ক) মাধৱদেৱৰ সাহিত্য সম্পৰ্কে এটা আভাস দিয়া।

খ) শংকৰদেৱৰ সাহিত্যিক আদৰ্শই কিদৰে মাধৱদেৱৰ দৰে প্ৰতিভাধৰ সাহিত্যিকক সাহিত্য ৰচনা কৰিবলৈ অনুপ্ৰেৰণা দিছিল তাৰ আভাস দিয়া।

গ) ঝুমুৰা সম্পৰ্কত এটা ধাৰণা দিয়া।

ঘ) ঝুমুৰা হিচাপে ভোজনবেহাৰ নাটৰ মূল্যায়ন কৰা।

## ২.২.২ মাধৱদেৱৰ ভোজনবেহাৰ নাট

### ২.২.২.১ মাধৱদেৱ আৰু তেওঁৰ ৰচনাৱলী

মাধৱদেৱ (১৪৮৯) আছিল অসমত একশৰণ নামধৰ্মৰ প্ৰচাৰক শ্ৰীমন্ত শংকৰদেৱৰ অতি ঘনিষ্ঠ সহযোগী আৰু প্ৰিয় শিষ্য। এগৰাকী যুগস্ৰষ্টা হিচাপে শংকৰদেৱে সমাজৰ সাৰ্বিক বিকাশ আৰু সংস্কাৰৰ সপোন চকুত বান্ধি যিকেইটা পন্থাৰ আশ্ৰয় লৈছিল, তাৰে ভিতৰত গীত-নাট-পদ আদিৰ ৰচনা আছিল অন্যতম। মাধৱদেৱে তেওঁৰ গুৰুৰ আদৰ্শ আগত লৈয়ে সাহিত্য ৰচনাত হাত দিয়ে। অৱশ্যে এই কথা নিশ্চয় ক'ব লাগিব যে, মাধৱদেৱে মাত্ৰ গুৰুজনাক অনুসৰণ কৰি ধৰ্ম প্ৰচাৰ কৰাই নাছিল, বৰং স্ব-মহিমাৰে নিজৰ প্ৰতিভাক জিলিকাই তুলিবলৈয়ো সক্ষম হৈছিল। তেওঁৰ দ্বাৰা ৰচিত *নামঘোষা* অসমীয়া সাহিত্যৰ অন্যতম বিশিষ্ট সমল। তদুপৰি তেওঁৰ নাটসমূহে শংকৰী পৰম্পৰাৰ মাজত থাকিও এক স্বতন্ত্ৰ তৰংগৰ সৃষ্টি কৰিছিল। তেওঁ *নামঘোষা*ৰ উপৰি *ভক্তি ৰত্নাৱলী*, *জন্ম ৰহস্য*, *নাম মালিকা* আৰু *কীৰ্তন*ৰ বৰ্ণনা অংশৰ যোগেদি ভক্তি তত্ত্বমূলক সাহিত্যৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি গৈছে। আনহাতে, মাধৱ কন্দলিয়ে অনুবাদ কৰা *ৰামায়ণ*ৰ আদিকাণ্ডৰ অসমীয়া অনুবাদো তেওঁ সংযোগ কৰে। *ৰাজসূয় যজ্ঞ* তেওঁৰ অন্যতম আখ্যানমূলক ৰচনা। অসমত শংকৰদেৱে বৰগীত ৰচনা পৰম্পৰা আৰম্ভ কৰিছিল। কিন্তু এবাৰ এগৰাকী শিষ্যই আওৰাবৰ বাবে শংকৰদেৱৰ বৰগীত পুথিখন নিওঁতে সেইবোৰ জুয়ে পুৰি নষ্ট কৰে। চৰিত পুথিত পোৱা মতে তাৰ পাছৰ পৰা শংকৰদেৱে মনৰ দুখতে বৰগীত ৰচনা নকৰিলে আৰু মাধৱদেৱক গীত লিখিবলৈ আজ্ঞা দিলে। সেইবাবে শংকৰদেৱৰ কেইটিমান গীত মুখে মুখে বৈ যোৱাৰ বিপৰীতে লিখিত ৰূপত থাকি যোৱা মাধৱদেৱৰ বৰগীতৰ সংখ্যা অধিক (কোনো কোনোৱে এই সংখ্যাটো ১৫৭ টা বুলি নিৰ্দ্ধাৰণ কৰিছে যদিও এই ক্ষেত্ৰত মতৰ তাৰতম্য দেখা যায়)। তদুপৰি তেওঁ ভালেকেইটা নাটৰ গীত আৰু প্ৰশস্তিসূচক ভটিমাও ৰচনা কৰে। তেওঁৰ নাটসমূহ ইমানেই জনপ্ৰিয় হৈ পৰিছিল যে বহুতে পাছত নাট লিখি মাধৱদেৱৰ নামত মিছাকৈয়ে ভণিতা পেলোৱাৰ পৰম্পৰা সৃষ্টি হৈছিল। আলোচকসকলে সেয়েহে *অৰ্জুন ভঞ্জন*, *চোৰধৰা*, *পিম্পৰা গুছোৱা*, *ভূমি লেটোৱা* আৰু *ভোজনবেহাৰ* নাটহে মাধৱদেৱৰ দ্বাৰা ৰচিত সন্দেহমুক্ত বুলি অভিহিত কৰিছে। আনহাতে মাধৱদেৱৰ ৰচনা হয়নে নে নহয়, সেই লৈ *ভূষণ হৰণ*, *ৰাস ঝুমুৰা*, *কোটোৰাখেলা*, *ব্ৰহ্মামোহন* আদিৰ ক্ষেত্ৰত সন্দেহ প্ৰকাশ কৰা হয়। তদুপৰি *সীতা স্বয়ম্বৰ*, *ৰাম যাত্ৰা*, *নৃসিংহ যাত্ৰা* আৰু *গোৱৰ্দ্ধন যাত্ৰা* নামৰ নাটকেইখন তেওঁ ৰচনা কৰিছিল, কিন্তু কিবা প্ৰকাৰে লুপ্ত হ'ল বুলি চৰিত পুথিৰ তথ্যৰ আধাৰত ক'ব পাৰি। পঞ্চদশ-ষোড়শ শতিকাত অসমীয়া ধ্ৰুপদী সাহিত্যৰ মূল্যায়নৰ ক্ষেত্ৰত মাধৱদেৱৰ সাহিত্যৰাজিৰ গুৰুত্ব অপৰিসীম।

**আত্মমূল্যায়ন**

১। মাধৱদেৱৰ ৰচনাসমূহৰ এখন তালিকা প্ৰস্তুত কৰক—

ক) ভক্তি তত্ত্বমূলক ৰচনা

..........................................................................................................

খ) আখ্যানমূলক ৰচনা

..........................................................................................

গ) গীত আৰু ভটিমা

..........................................................................................

ঘ) নাটক

..........................................................................................



২। মাধৱদেৱৰ সন্দেহমুক্ত আৰু সন্দেহযুক্ত নাটসমূহ চিনাক্ত কৰক—

..........................................................................................

## ২.২.২.২ ঝুমুৰা

মাধৱদেৱৰ নাটসমূহক ভক্তসকলে ঝুমুৰা বুলি অভিহিত কৰে। অৱশ্যে নাটকীয় বৈশিষ্ট্যৰ দিশৰ পৰা *অৰ্জুন ভঞ্জন* নাটকখনি শংকৰদেৱৰ অংকীয়া নাটসমূহৰ সমগোত্ৰীয় আৰু পূৰ্ণাংগ পৰ্যায়ৰ নাট। আনহাতে আনকেইখন নাট তেনেই চমু আৰু পূৰ্ণাংগ অংকীয়া নাটৰ বৈশিষ্ট্যবিহীন সুকীয়া চৰিত্ৰৰ নাট । মাধৱদেৱে নিজে ৰচনা কৰা নাটবোৰক ক'তো তেওঁ ঝুমুৰা বুলি অভিহিত কৰা নাই। তেওঁ নাটসমূহৰ সমাপ্তিত 'যাত্ৰা' আৰু 'নাট' শব্দটোহে ব্যৱহাৰ কৰিছে (যেনে— "ইতি অৰ্জ্জুন ভঞ্জন যাত্ৰা সম্পূৰ্ণা", "ইতি ভোজন বেহাৰ নাট সমাপ্তম" আৰু " ইতি চোৰধৰা নাটকম সম্পূৰ্ণম")। পৰৱৰ্তী পৰ্যায়ত দৈতাৰী ঠাকুৰৰ চৰিত পুথি, *গুৰু চৰিত কথা* আদিতহে 'ঝুমুৰা' শব্দটোৰ প্ৰয়োগ কৰা দেখা যায়। বোধহয় মাধৱদেৱৰ অনুগামীসকলেহে তেওঁৰ নাটবোৰক 'ঝুমুৰা' বুলি ক'বলৈ লৈছিল। কিন্তু কিয় এইবোৰক 'ঝুমুৰা' বোলা হ'ল সেই বিষয়ে নিৰ্দিষ্ট কাৰণ পোৱা নাযায়।

'ঝুমুৰা' শব্দটোৰ সৈতে সাদৃশ্য থকা 'ঝুমুৰি' নামৰ এটি ছন্দৰ প্ৰচলন অসমীয়া কাব্য সাহিত্যত পোৱা যায়। অৱশ্যে এই ঝুমুৰি ছন্দৰ সৈতে ঝুমুৰাবোৰৰ সাদৃশ্য থকা যেন নালাগে। *সংগীত দামোদৰ* গ্ৰন্থত 'ঝুমুৰা' নামৰ এক শ্ৰেণীৰ ৰাগিণীৰ উল্লেখ আছে। মৈথিলী ভাষাতো 'ঝুমুৰি' নামৰ এবিধ নৃত্যৰ প্ৰচলন আছে। অৱশ্যে, দুইবিধৰ মূল শৃংগাৰ ৰস। চাওতালী সমাজত 'ঝুমুৰা' এবিধ পৰম্পৰাগত নৃত্য। বংগদেশত 'ঝুমুৰা' নামৰ নৃত্য-গীত প্ৰধান অনুষ্ঠানৰ প্ৰচলন আছে। ৰসৰ সাদৃশ্য নাথাকিলেও 'ঝুমুৰি', 'ঝুমুৰা' আদি শব্দৰ সৈতে নৃত্য-গীতমুখৰ পৰিৱেশ এটাৰ প্ৰসংগ জড়িত হৈ থাকে। অসমৰ সত্ৰীয়া সমাজতো 'ঝুমুৰা' নামটো মুখে মুখে প্ৰচলিত থকাৰ বাবেই কমলাবাৰী সত্ৰত ঝুমুৰা নৃত্যৰ প্ৰচলন হোৱা বুলি ধাৰণা কৰা হয়। বোধহয় মাধৱদেৱৰ নাটসমূহ নৃত্য-গীতমুখৰ বাবেই এইবোৰক ঝুমুৰা বুলিবলৈ লোৱাৰ প্ৰৱণতা এটা সত্ৰীয়া সমাজত গা কৰি উঠিছিল।

মনকৰিবলগীয়া যে, শংকৰদেৱে অংকীয়া নাট ৰচনা কৰিবলৈ যাওঁতে মূলতে *ভাগৱত পুৰাণ*, *হৰিবংশ* আৰু *বিষ্ণু পুৰাণ*ৰ পৰা কথাবস্তু আহৰণ কৰিছিল। *ৰামবিজয় নাট*ৰ ক্ষেত্ৰত *ৰামায়ণ*ৰ আশ্ৰয় লৈছিল । কিন্তু মাধৱদেৱে অসমত 'লীলাশুক' নামেৰে পৰিচিত বিল্বমঙ্গলৰ *কৃষ্ণ কৰ্ণামৃত* গ্ৰন্থৰ কেইটামান শ্লোকৰ পৰা কথাবস্তু আহৰণ কৰি *চোৰধৰা, পিম্পৰা গুছোৱা* আৰু *ভূমি লেটোৱা* নাট ৰচনা কৰে। *অৰ্জুন ভঞ্জন*নাটৰ ক্ষেত্ৰত *ভাগৱত পুৰাণ*(দশম স্কন্ধ) আৰু *হৰিবংশ*(ত্ৰিষষ্ঠিতম অধ্যায়)ৰো সহায় লৈছে। *ভোজন বেহাৰ নাট*ৰ বিষয়বস্তু শংকৰদেৱৰ দ্বাৰা অনূদিত *আদি দশম*ৰ ৩৮৯-৪১৬ নং পদৰ পৰা আহৰণ কৰিছে।

মাধৱদেৱৰ ঝুমুৰাসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১। প্ৰত্যেক ঝুমুৰাৰে মূল চৰিত্ৰ শিশু কৃষ্ণ। *ভোজনবেহাৰ* বাদ দি বাকীবোৰত যশোদাও এটা কেন্দ্ৰীয় চৰিত্ৰ।

২। ঝুমুৰাসমূহৰ বিষয়বস্তুত বিল্বমঙ্গলৰ *কৃষ্ণকৰ্ণামৃত*গ্ৰন্থৰ প্ৰভাৱ বিদ্যমান। অৱশ্যে *ভোজন বেহাৰত ভাগৱত* আৰু *অৰ্জুন ভঞ্জনত হৰিবংশ*ৰ প্ৰভাৱ আছে।

৩। প্ৰত্যেক ঝুমুৰাই ঘটনা প্ৰধান। ইয়াত পূৰ্ণাংগ কাহিনী নাই।

৪। ঝুমুৰাবোৰত সংস্কৃত নাটকৰ পঞ্চ অৱস্থা, পঞ্চ সন্ধি, অৰ্থ প্ৰকৃতি আদি নাই। তদুপৰি এইবোৰত সংঘাতো স্পষ্ট নহয়।

৫। *ভোজন বেহাৰ*ৰ নান্দী শ্লোকৰ বাদে বাকী নাটবোৰত মাধৱদেৱে *কৃষ্ণকৰ্ণামৃত* গ্ৰন্থৰ পৰা অনা শ্লোক ব্যৱহাৰ কৰিছে। নিজে শ্লোক ৰচনা কৰি সংযোগ কৰা নাই।

৬। নাটসমূহত বাৎসল্য ভাৱক আধাৰ কৰি হাস্য আৰু শান্ত ৰস নিষ্পন্ন কৰা হৈছে।
৭। নাটবোৰৰ বক্তব্য নৃত্য-গীতৰ মাজেৰে প্ৰকাশিত হয়।
৮। শংকৰদেৱৰ অংকীয়া নাটৰ দৰে ঝুমুৰাত নিৰ্দ্ধাৰিত স্থানত ভটিমাৰ ব্যৱহাৰ নাই। আনকি মুক্তিমংগল ভটিমাও বৰ্জন কৰা হৈছে। মাত্ৰ *ভোজন বেহাৰ*ৰ আৰম্ভণিতেহে এটা ভটিমা ব্যৱহাৰ কৰিছে।
৯। শংকৰদেৱৰ নাটৰ দৰে প্ৰস্তাৱনা, প্ৰৰোচনা আদি নাটকীয় অন্তৰংগ সমল ঝুমুৰাত নাই।
১০। মাধৱদেৱৰ নাটৰ ব্ৰজবুলি অসমীয়া কথিত ভাষাৰ ওচৰ চপা। বহু সময়ত ই পুৰণি অসমীয়া ঠাঁচত ব্যৱহৃত হৈছে।



**আত্মমূল্যায়ন**

১। ঝুমুৰা শব্দৰ উৎপত্তি সম্পৰ্কে দহোটা বাক্য লিখক?

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। মাধৱদেৱৰ সন্দেহমুক্ত নাটকেইখনৰ সমাপ্তিসূচক বাক্যকেইটা লিখক?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩। ঝুমুৰাৰ উপাদানসমূহ চিনাক্ত কৰক?

..........................................................................................................

..........................................................................................................

৪। ঝুমুৰাৰ বিশেষত্বসমূহ লিখক?

..........................................................................................................

..........................................................................................................

### ২.২.২.৩ *ভোজনবেহাৰ*নাটৰ কথাবস্তু

এদিন কৃষ্ণই লগৰ গোপবালকৰ সৈতে যমুনাৰ পাৰত গৰু চৰাবলৈ গৈছিল। গৰু চৰাবলৈ যাওঁতে তেওঁ আনন্দৰে নৃত্য-গীত কৰি গৈছিল আৰু যমুনাৰ তীৰতো যথেষ্ট আনন্দৰে তাৰ পৰিৱেশ উপভোগ কৰি আছিল। কৃষ্ণই তাৰ মনোৰম পৰিৱেশ দেখি সকলোকে ক'লে যে, এই মনোৰম পৰিৱেশত গৰুবোৰ চৰিবলৈ মেলি দি সকলোৱে আনন্দৰে ভোজন কৰা হওক। সকলোৱে প্ৰস্তাৱটোত আনন্দ পালে আৰু গৰুবোৰক পানী খুৱাই মেলি দি কৃষ্ণক মাজত বহুৱাই লৈ ভোজন কৰিবলৈ ধৰিলে। এনেতে দেৱৰ্ষি নাৰদ আহি তাত উপস্থিত হ'ল আৰু কৃষ্ণৰ মহিমা ব্যাখা কৰি তেওঁৰ প্ৰসাদ প্ৰাৰ্থনা কৰিলে। গোপ শিশুসকলে কৃষ্ণৰ বন্দনা শুনি আপ্লুত হ'ল আৰু নাৰদক কৃষ্ণৰ প্ৰসাদ প্ৰদান কৰিলে। নাৰদে প্ৰসাদ গ্ৰহণ কৰি ওলাই গ'ল। এনেতে শ্ৰীদাম নামৰ গোপ শিশুগৰাকীয়ে জনালে যে, তেওঁলোকৰ গৰুবোৰ আঁতৰলৈ গুছি গৈছে। সেই কথা শুনি শিশুবোৰে ভোজন এৰি গৰু বিচাৰি যাবলৈ বিচাৰিলে। কিন্তু কৃষ্ণই সকলোকে আশ্বস্ত কৰি ক'লে যে, কোনেও ভোজন এৰি যাব নালাগে। তেৱেঁই গৰুবোৰ বিচাৰি আনিব। এনেদৰে তেওঁ গৰুবোৰ বিচাৰিবলৈ গৈ দেখিলে যে, গৰুবোৰ হাবিৰ মাজত নাই। দৰাচলতে গৰুবোৰ ব্ৰহ্মাই লুকুৱাই থৈছিল। আনহাতে গৰু বিচাৰিবলৈ ওলাই যাওঁতেই ব্ৰহ্মাই কৃষ্ণৰ মহিমা পৰীক্ষা কৰিবলৈ সংগী গোপবালকসকলকো লুকুৱাই থৈ দিলে। গৰুবোৰ বিচাৰি নাপাই যমুনাৰ পাৰলৈ উভতি আহি কৃষ্ণই সংগীবিলাককো বিচাৰি নোপোৱাত নানা বিলাপ কৰিবলৈ ধৰিলে। তাৰ মাজতে ধ্যান কৰি তেওঁ জানিব পাৰিলে যে ব্ৰহ্মাই গৰু আৰু গোপবালক সকলোকে লুকুৱাই থৈ দিছে। নাটখনিৰ কাহিনী ইয়াতে শেষ হৈছে।

**আত্মমূল্যায়ন**

১। কৃষ্ণই গোপবালকসকলৰ সৈতে গৰু চৰাবলৈ আহি কি কৰিছিল লিখক?

.............................................................................................................

.............................................................................................................

২। নাৰদে কি কৰিছিল লিখক?

.............................................................................................................

.............................................................................................................

৩। ভোজন কৰি থাকোতে কি ঘটিল লিখক?

.............................................................................................................

.............................................................................................................

৪। কৃষ্ণই গৰু বিচাৰিবলৈ যোৱাৰ পাছৰ বৰ্ণনাখিনি লিখক?

.............................................................................................................

.............................................................................................................



## ২.২.২.৪ *ভোজনবেহাৰ* নাটৰ উৎস

*ভোজন বেহাৰ* নাটখনিৰ মূল উৎস হৈছে শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা অনুদিত *ভাগৱত*ৰ দশম স্কন্ধৰ ৩৮৯ নং পদৰ পৰা ৪১৬ নং পদলৈকে থকা বৰ্ণনাসমূহ। ইয়াৰে ৪১৭ নং পদৰ পৰা ৫১৩ নং পদলৈকে থকা কথাখিনি মূল আখ্যানৰ লগত সম্পৰ্কিত যদিও মাধৱদেৱে এই অংশ বৰ্জন কৰিছে। মূলত বৰ্ণনা কৰা কাহিনীটো এনেধৰণৰ—

অঘাসুৰক বধ কৰি কৃষ্ণই গোপ শিশু আৰু গৰুবোৰক উদ্ধাৰ কৰি আনি যমুনাৰ তীৰত অৱস্থান কৰিলেহি। সেই সময়ৰ যমুনাৰ মোহনীয় সৌন্দৰ্য লক্ষ্য কৰি তেওঁ সংগীসকলক প্ৰস্তাৱ দিলে যে, তাতে সকলোৱে আনন্দৰে ভোজন কৰা হওক। সেইমতে গৰুবোৰক পানী খুৱাই মেলি দি সকলোৱে কৃষ্ণক মাজত বহুৱাই লৈ আনন্দ মনেৰে ভোজন কৰিবলৈ ল'লে। এইদৰে ভোজন কৰি থাকোঁতেই সকলোৰে অগোচৰে গৰুবোৰ গৈ বনৰ মাজত সোমালগৈ। এই কথা লক্ষ্য কৰি গোপবালকসকলে ভোজন এৰি গৰু বিচাৰি যাবলৈ উদ্যত হ'ল। কিন্তু কৃষ্ণই সকলোকে আশ্বস্ত কৰি ক'লে যে গৰু বিচাৰিবলৈ কোনো যাব নালাগে, তেওঁ নিজেই বিচাৰি আনি দিব। এইদৰে তেওঁ গৰু বিচাৰিবলৈ বনত সোমাল যদিও গৰুবোৰ বিচাৰি নাপালে । আনপিনে তেওঁ যমুনাৰ বালিলৈ উলটি আহি দেখে যে গোপবালকসকলো তাৰ পৰা নাইকিয়া হৈছে। এইবাৰ তেওঁ গৰু আৰু গো-পালক শিশুসকলৰ সন্ধানত পুনৰ বনত সোমাল। দৰাচলতে এই গৰু আৰু গো-পালক শিশুবোৰ ব্ৰহ্মাই যোগবলৰ সহায়ত লুকুৱাই থৈছিল। অঘাসুৰ বধৰ সময়ত কৃষ্ণৰ দৈৱ মায়া প্ৰত্যক্ষ কৰি তেওঁৰ শক্তিৰ পৰীক্ষা ল'বৰ বাবে ব্ৰহ্মাই গৰুবোৰ লকুৱাই থৈছিল। কৃষ্ণই ধ্যানযোগে এই কথা জানিব পাৰি গোৰক্ষ--দামুৰীৰ সন্ধান বাদ দি নিজেই শতেক গোৰক্ষ-দামুৰীৰ ৰূপ ধাৰণ কৰিলে। এই মায়াসৃষ্ট গোৰক্ষ-দামুৰীবোৰে আচল গোৰক্ষ-দামুৰীতকৈ তিলমানো ইফাল-সিফাল নকৰাকৈ নিজ নিজ ঘৰত থাকিবলৈ ল'লে। আনকি গোৱালীসকলে এই গোপবালককে আচল গোপবালক বুলি ধৰি আঁকোৱালি ল'লে আৰু গোৱালসকলেও গৰুবোৰ আচল বুলিয়ে ভাবিলে। অৱশ্যে ইয়াৰ মাজতে বলভদ্ৰই এদিন লক্ষ্য কৰিলে যে এই গৰুবোৰ আৰু গোপশিশুবোৰৰ মাজত স্বয়ং কৃষ্ণ বিৰাজমান হৈ আছে। সিপিনে ব্ৰহ্মাই দেখিলে যে তেওঁ লুকুৱাই থোৱা গৰুবোৰ আৰু গোপবালকসকল নিজৰ নিজৰ ঘৰতে সুকলমে আছে। এই কথা দেখি তেওঁ লুকুৱাই থোৱা গোপবালকসকল আৰু গৰুবোৰ গৈ দেখে যে সিহঁতো তেওঁ লুকুৱাই থোৱাৰ দৰেই শয়নাৱস্থাত পৰি আছে। এই কথাত বিস্মিত হৈ তেওঁ কৃষ্ণৰ সৈতে থকা গৰু আৰু গোপবালকবোৰক পুনৰ চাবলৈ আহি দেখে যে প্ৰকৃততে প্ৰত্যেকেই কৃষ্ণমূৰ্তি হৈ ধৰা দিছে। এনে মায়া দেখি ব্ৰহ্মা মূৰ্চিত হৈ পৰিল। তাকে দেখি কৃষ্ণই হাঁহি হাঁহি নিজৰ ৰূপবোৰ সম্বৰণ কৰাত ব্ৰহ্মাৰ সম্বিত লাহে লাহে ঘূৰি আহিল আৰু তেওঁ কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

**আত্মমূল্যায়ন**

১। কৃষ্ণই বঘাসুৰ বধ কৰি আহি কি কৰিছিল?

..............................................................................................................

..............................................................................................................

২। বঘাসুৰ বধৰ সময়ত কৃষ্ণৰ মায়া দেখি ব্ৰহ্মাই কি কৰিছিল?

..............................................................................................................

..............................................................................................................

৩। গৰু আৰু গোপবালকসকলক বিচাৰি নাপাই কৃষ্ণই কি কৰিলে?

..............................................................................................................

..............................................................................................................

৪। কৃষ্ণই সৃষ্টি কৰা গৰু আৰু গোপবালকবোৰ দেখি ব্ৰহ্মাই কি কৰিলে?

..............................................................................................................

..............................................................................................................

### ২.২.২.৫ *ভোজন বেহাৰ* নাটখনৰ অসম্পূৰ্ণতা

মাধৱদেৱৰ *ভোজন বেহাৰ* নাটখনি সম্পূৰ্ণ ৰূপত উদ্ধাৰ হোৱা নাই। যদিও দুই এক প্ৰকাশিত গ্ৰন্থত নাটখনিৰ শেষত সমাপ্তিসূচক বাক্য সংযোগ কৰা হৈছে, তথাপি নাটখনি সম্পূৰ্ণ যেন নালাগে। ব্ৰহ্মাই গোপবালকসকল আৰু গৰুবোৰ লুকুৱাই থোৱা বুলি কৃষ্ণই ধ্যানযোগে জানিব পাৰি বিলাপ কৰি থাকোঁতে হঠাতে নাটখন শেষ হৈছে। এনে কাৰণত নাটখনত কৃষ্ণৰ দেৱত্ব যিটো পৰ্যায়ত প্ৰতিষ্ঠা হ'ব লাগিছিল সেয়া নহ'ল । কাৰণ মূলত কৃষ্ণই যি মায়া গোৰক্ষ-দামুৰীৰ সৃষ্টি কৰিছিল সেয়া কৃষ্ণৰ দেৱত্ব প্ৰতিষ্ঠাৰ বাবে আটাইতকৈ দৰকাৰী কথা আছিল। কিন্তু নাটখনত এই কথাটো নাই। তদুপৰি ব্ৰহ্মাৰ স্তুতি অংশ বাদ দিয়াৰ ফলতো কৃষ্ণৰ দেৱত্ব প্ৰতিষ্ঠাৰ এটা সুযোগ হেৰাল। কিন্তু নাটখনি বৰপেটাৰ ৰঙিয়াল ঘৰ নিৰ্মাণৰ পাছত ঘৰটো মুকলি কৰোঁতে অভিনয় কৰা বুলি দৈত্যাৰী ঠাকুৰৰ চৰিত পুথিত উল্লেখ আছে। বোধহয় নাটখনি মাধৱদেৱে আৰু কিছু কথা সামৰি সম্পূৰ্ণকৈ লিখিছিল, যিসমূহ তেওঁ ইচ্ছা কৰি বাদ দিয়াৰ কাৰণ বিচাৰি পোৱা নাযায়। হয়তো নাটখনিৰ মূল পাণ্ডুলিপিৰ শেষৰ দুটামান পাত কিবা প্ৰকাৰে হেৰাল বা নষ্ট হ'ল। যিটো কাৰণত নাটখনি অসম্পূৰ্ণ ৰূপতহে বৰ্তমান পঢ়িবলৈ পোৱা যায়।

**আত্মমূল্যায়ন**

১। *ভোজন বেহাৰ* নাটখন কিয় আধাতে শেষ হোৱা যেন লাগে?

..............................................................................................................

..............................................................................................................

২। *ভোজন বেহাৰ* নাটখনিত মূলৰ কোনকেইটা কথা মাধৱদেৱে ইচ্ছা কৰি বাদ দিয়া যেন নালাগে?

..............................................................................................................

..............................................................................................................

### ২.২.১.৬ *ভোজন বেহাৰ* নাটত *আদি দশম*ৰ প্ৰভাৱ আৰু মাধৱদেৱৰ মৌলিকত্ব

*ভোজন বেহাৰ*নাটখনৰ মূল যে *ভাগৱত*ৰ পৰা সংগ্ৰহ কৰা হৈছে সেই কথা ইতিমধ্যে উল্লেখ কৰা হৈছে । এই ক্ষেত্ৰত তেওঁ নান্দীশ্লোকটো (নাটৰ আৰম্ভণিত থকা শ্লোক) নিজে ৰচনা কৰিছে। তাৰ বিপৰীতে বিষয়বস্তু আহৰণৰ ক্ষেত্ৰত তেওঁ মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা অনুদিত *আদি দশম*ৰ দ্বাৰাহে বিশেষভাৱে প্ৰভাৱিত হৈছে। উদাহৰণ স্বৰূপে *আদি দশম*ৰ ৩৯৪ আৰু ৩৯৫ নং পদত উল্লেখ আছে যে, অঘাসুৰ বধৰ পাছত শ্ৰীকৃষ্ণ সংগীসৰৰ সৈতে বনভোজৰ বাবে যমুনাৰ পাৰত গৈ উপস্থিত হ'ল আৰু যমুনাৰ সৌন্দৰ্য প্ৰশংসা কৰিলে। লগতে সকলোকে আহ্বান জনালে যে গৰুবোৰ পানী খুৱাই মেলি দি সকলোৱে আনন্দৰে ভোজন কৰিব লাগে। মাধৱদেৱে নাটখনিত অঘাসুৰৰ কথাখিনি বাদ

দিছে, কিন্তু মূল বৰ্ণনাক পদৰপৰা সংলাপলৈ সলনি কৰিবলৈ যাওঁতে বিশেষ সাল-সলনি কৰা নাই। একেদৰেই মূলৰ ৩৯৬-৩৯৯ পদকেইটাও *আদি দশম*ৰ বৰ্ণনাৰ সৈতে সাদৃশ্যপূৰ্ণ। সেই কাৰণে বহু সময়ত *ভোজন বেহাৰ* নাটকখনি *আদি দশম*ৰ নিৰ্দ্ধাৰিত পদকেইটাৰ নাট্যৰূপ যেন লাগে। অৱশ্যে তাৰ মাজতো নাট্যকাৰ হিচাপে মাধৱদেৱৰ মৌলিকত্ব যথাযথ ৰূপত প্ৰকাশ পাইছে।

মাধৱদেৱে নাটখনি ৰচনা কৰোঁতে নাটকীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি বাহুল্য যেন লগা কিছুমান কথা বৰ্জন কৰিছে। আনহাতে কিছু কথা চমুৱাইছে। প্ৰয়োজনত কিছু কথা সংযোগো কৰিছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজৰ ৰচনা। অৱশ্যে এই নান্দী শ্লোকৰ এটা অংশ ছপাকৈ প্ৰকাশিত অঙ্কীয়া নাট-ঝুমুৰাৰ সংকলনকেইটিত কিছু কিছু সুকীয়া সুকীয়াকৈ আছে। পুৰণি পুথিত থকা এনে পাৰ্থক্যক পাঠান্তৰ বোলে আৰু এনে পাঠান্তৰ সাধাৰণতে বহু পুথিৰ ক্ষেত্ৰত দেখা যায়। মাধৱদেৱে ৰচনা কৰা নাটসমূহৰ ভিতৰত মাত্ৰ *ভোজন বেহাৰ*তহে এটা ভটিমা সংযোগ কৰা হৈছে। মাধৱদেৱৰ দ্বাৰা ৰচিত এই একমাত্ৰ নাট ভটিমাটিত অতি মনোৰম ভাষাত যশোদাই কৃষ্ণক জগাই সংগীসৱৰ সৈতে গৰু চৰাবলৈ যাবলৈ অনুপ্ৰাণিত কৰা কথা বৰ্ণনা কৰা হৈছে। নাটকখনত ভটিমাটোৰ উপৰিও তিনিটা গীত সংযোগ কৰা হৈছে। এই গীতকেইটাৰ মাজতো মাধৱদেৱৰ মৌলিক কাব্য প্ৰতিভাই সঞ্চাৰি ৰূপ লাভ কৰিছে। নাৰদ চৰিত্ৰটোৰ প্ৰৱেশ আকস্মিক যদিও কৃষ্ণৰ দৈৱ ৰূপটো প্ৰকাশ কৰাত চৰিত্ৰটোৱে যথেষ্ট সহায় কৰিছে। গতিকে মূলৰ বহু বক্তব্য পদৰ পৰা নাটকীয় বক্তব্যলৈ ৰূপান্তৰ কৰা যেন লাগিলেও নাটখনত মাধৱদেৱৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ স্পষ্টকৈ ধৰিব পাৰিব।

**আত্মমূল্যায়ন**

১। *ভোজন বেহাৰ* নাটৰ সৈতে *আদি দশম*ৰ সাদৃশ্য কেনে লিখক?

........................................................................................................

........................................................................................................

২। মূলৰ কি কি কথা *ভোজন বেহাৰ*ত বাদ পৰিছে?

........................................................................................................

........................................................................................................

৩। মাধৱদেৱে কি কি নতুন কথা *ভোজন বেহাৰ*ত সংযোগ কৰিছে?

........................................................................................................

........................................................................................................

## ২.২.২.৭ *ভোজন বেহাৰ* নাটকখনিৰ ৰস

সাধাৰণতে সংস্কৃত নাট্য সাহিত্যত নটা ৰসৰ কথা কোৱা হয়। এইকেইটা হৈছে— শৃংগাৰ, কৰুণ, বীৰ, হাস্য, অদ্ভুত, ৰৌদ্ৰ, বীভৎস, ভয়ানক আৰু শান্ত। এইকেইটা নৱৰস নামেৰে বিখ্যাত। একাংশ পণ্ডিতে ভক্তিৰস নামৰ এটা ৰসৰ কথাও উল্লেখ কৰে। কিন্তু ভালদৰে চাই একাংশ পণ্ডিতে ভক্তিক এটা ভাৱহে বুলিছে। এই ভাৱটোৱে উদ্ৰেক ঘটোৱা ৰসৰ নাম শান্ত ৰস। *ভোজন বেহাৰ* নাটত সখিত্বৰ আধাৰত কৃষ্ণৰ প্ৰতি গোপবালকসকলৰ মনৰ ভক্তি ভাৱ প্ৰকাশ কৰা হৈছে। নাট্যকাৰৰ বৰ্ণনায়ো কৃষ্ণৰ প্ৰতি দৰ্শক-পাঠকৰ মনত ভক্তিভাৱ জাগ্ৰত কৰে। আনহাতে কৃষ্ণই গোপবালকসকলক বিচাৰি নাপাই যি বিলাপ জুৰিছে, সিও তেওঁৰ ভক্তবৎসল ৰূপটোকে ফুটাই তোলে। গতিকে গোটেই নাটখনিতে কৃষ্ণভক্তি মাৰ্গৰ যি প্ৰকাশ ঘটোৱা হৈছে, সি শান্তৰস নিষ্পত্তিৰ পথ সুগম কৰে। গতিকে নাটখনিত আপাত দৃষ্টিত প্ৰকাশিত ভক্তি ৰসৰ আঁৰত শান্তৰস প্ৰতিপন্ন হৈছে।

**আত্মমূল্যায়ন**

১। নৱৰসৰ নাম লিখক?

........................................................................................................

........................................................................................................

২। *ভোজন বেহাৰ* নাটত শান্ত ৰস কেনেদৰে প্ৰকাশ পাইছে লিখক?

............................................................................................................

............................................................................................................

ভোজনবেহাৰ নাট

**২.২.২.৮ *ভোজন বেহাৰ* নাটত কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ**

*ভোজন বেহাৰ* নাটকখনত আন ঝুমুৰাসমূহৰ দৰেই কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ এটা প্ৰকাশ কৰা হৈছে। ইয়াৰে এটা হৈছে ভগৱান শ্ৰীকৃষ্ণ আৰু আনটো সাধাৰণ মানৱী শিশু। নাটকখনিত শিশু কৃষ্ণই তেনেই সাধাৰণ মানৱী শিশুৰ দৰে আচৰণ কৰিছে। আৰম্ভণিতে যশোদাই সাধাৰণ শিশুৰ দৰেই কৃষ্ণক মৰেমেৰে টোপনিৰ পৰা জগাইছে। তাৰ পাছত কৃষ্ণ লগৰীয়াবোৰৰ লগত গৰু চৰাবলৈ ওলাই গৈছে। এই আচৰণবোৰ দেখাত তেনেই সাধাৰণ মানৱী শিশুসুলভ আচৰণ। যমুনাৰ পাৰ পাই তাৰ সৌন্দৰ্য নিৰীক্ষি তেওঁ কিদৰে আনন্দত উঠলি উঠিছে সেয়া আপোনালোকে নিশ্চয় মন কৰিছে। সেই আনন্দতে তেওঁ গোপবালকসকলৰ এগৰাকী হিচাপে কৈছে যে তেওঁলোকে গৰুবোৰ মেলি দি একেলগে আনন্দ কৰিবলৈ ভাল পাব। কিন্তু সকলোবোৰ মাজত থাকিলেও তেওঁ আনতকৈ অলপ পৃথক। সেইবাবে আন গোপবালকসকলে ভোজন কৰি থাকোঁতে তেওঁক মাজত বিশেষভাৱে বহুৱাই লৈছে। আকৌ যেতিয়া গৰুবোৰ হেৰাল বুলি শ্ৰীদাম নামৰ গৰখীয়াটিয়ে আহি কৈছে, তেতিয়া তেওঁ অকলশৰে গৰুবোৰ বিচাৰিবলৈ ওলাই গৈছে। তাতোতকৈয়ো উজ্জ্বল ৰূপত তেওঁৰ আন এটা ৰূপ ফুটি ওলাইছে নাৰদৰ মুখত। নাৰদ আহি তেওঁলোকৰ মাজত উপস্থিত হোৱাৰ পাছত নাৰদে যি কৃষ্ণৰ বৰ্ণনা কৰিছে, সেয়া তেওঁৰ ভগৱান ৰূপটো ফুটাই তুলিবৰ বাবে যথেষ্ট। তেওঁ গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিছে যে গোপবালকসকলো নাইকিয়া হ'ল। এই কথা দেখি তেওঁ যি বিলাপ জুৰিছে তাৰ আগত ভক্তবৎসল ভগৱান শ্ৰীকৃষ্ণগৰাকী লুকাই আছে। তদুপৰি তেওঁ ধ্যানযোগে গোৰক্ষ-দামুৰীবোৰ ব্ৰহ্মাই লুকুৱাই থোৱা বুলি জানিব পৰাটোও তেওঁৰ দেৱত্বৰ সূচক। এনেদৰে নাটখনিৰ মাজত মানৱী শিশু আৰু দেৱতা শ্ৰীকৃষ্ণ— এই দুয়োটা ৰূপতে শ্ৰীকৃষ্ণ চৰিত্ৰটো ফুটি ওলোৱাটো আপোনালোকে দেখিবলৈ পাব। এই দুয়োটা ৰূপৰ আঁত ধৰিয়ে শ্ৰীকৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ নাটকখনত ফুটি ওলোৱা বুলি কোৱা হয়।

**আত্মমূল্যায়ন**

১। শ্ৰীকৃষ্ণৰ মানৱী ৰূপ কি কি প্ৰসংগত ফুটি ওলায় লিখক?

............................................................................................

............................................................................................

২। দেৱতাৰূপে শ্ৰীকৃষ্ণৰ কি কি লক্ষণ ফুটি ওলাইছে লিখক?

............................................................................................

............................................................................................

## ২.২.৩ সাৰাংশ

মাধৱদেৱৰ ঝুমুৰা অসমৰ বৈষ্ণৱ নাট্য সাহিত্যৰ এক উল্লেখযোগ্য সম্পদ। নাটখনিত শংকৰদেৱৰ *আদি দশমৰ* ৩৮৯ ৰ পৰা ৪১৬ নং পদলৈকে বৰ্ণিত বিষয়বস্তুৰ নাটকীয় ৰূপ প্ৰদান কৰা হৈছে। গীত-নৃত্য প্ৰধান অভিনয়ৰ বাবে সুচলভাৱে ৰচনা কৰা এই নাটখনিক মাধৱদেৱৰ এখন সন্দেহমুক্ত ঝুমুৰা হিচাপে ধৰা যায়। নাটখনিত মূলৰ অঘাসুৰ বধৰ কথা বৰ্জন কৰি মাত্ৰ যমুনাৰ বালিত গৰু চৰাবলৈ যোৱা কৃষ্ণ আৰু তেওঁৰ সংগীসকলৰ আনন্দময় ধেমালি আৰু তাৰ মাজতে নাৰদক প্ৰৱেশ ঘটাই কৃষ্ণৰ দেৱত্ব প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰি গৰুবোৰ আৰু কৃষ্ণৰ সংগী গৰখীয়া ল'ৰাবোৰ হেৰোৱা কথাটোৱে কৃষ্ণৰ মনত যি বিৰহৰ জন্ম দিছে সি ভক্তবৎসল কৃষ্ণৰ ৰূপ প্ৰকাশ কৰে। কৃষ্ণই ধ্যানযোগে জানিব পাৰিছে যে গৰুবোৰ আৰু গৰখীয়া ল'ৰাবোৰ ব্ৰহ্মাই লুকুৱাই থৈছে। এয়া তেওঁৰ দৈৱী ক্ষমতাৰ পৰিচায়ক। নাটখনিৰ বিষয়বস্তুৱে পূৰ্ণতা লাভ কৰা নাই, তথাপি এখন ঝুমুৰা হিচাপে নাটখনি মাধৱদেৱৰ মৌলিক প্ৰতিভাৰ সূচক তথা পঞ্চদশ শতিকাৰ অসমীয়া সাহিত্যৰ নিদৰ্শন ই বহন কৰে।

## ২.২.৪ শব্দটোকা

ভোজনবেহাৰ ঝুমুৰাত থকা কিছুমান শব্দৰ অৰ্থ তলত দিয়া হ'ল—

| | | |
|---|---|---|
| চুম্বিত | - | চুমা খাই |
| জগাৰনকু | - | জগাইছে |
| বোলাৰনুকু | - | মাতিছে |
| চঞ্চো/ চঞ্চ | - | গাখীৰ প্ৰস্তুত কৰা এবিধ খাদ্য |
| বজাৰনকু | - | বজোৰা |
| ছোড়ি | - | এৰি |
| চবিন | - | প্ৰবীন |
| উপাদ | - | কৰতাল |
| কহাৰত | - | কোৰা |
| নিসান | - | ধ্বনি |
| নিশি | - | নিশা/ ৰাতি |
| পীত | - | হালধীয়া |
| ধৰা | - | কটি বস্ত্ৰ বা ডিঙিত মেৰিয়াই দিয়া কাপোৰ |
| নেত | - | পাটৰ মিহি কাপোৰ |
| গুঞ্জ | - | কুণ্ডল, কাণত পিন্ধা এবিধ অলংকাৰ |
| গেৰু | - | এবিধ অলংকাৰ |
| সিকিয়া/শিকিয়া | - | দুই মূৰে জৰী লগাই নিব পৰা জৰীৰ যতন |
| পাশন | - | শিল |
| কন্নিকা | - | পদুমৰ চকা |
| বেৰাটিত/বেৰটিত | - | হাতৰ কিলাকুটিৰ ভিতৰত, পেটীত |
| চৌভিতি | - | চাৰিওদিশে |
| কতিস্থ | - | কেতিয়াবা |
| তাসুক | - | তেওঁলোক |
| ভেট | - | সম্ভেদ |
| নিহালি | - | ভালকৈ চোৱা |
| বিদূৰে | - | দূৰলৈ |
| পৈশল | - | প্ৰবেশ কৰিলে |
| অহিতো | - | ইয়াতো |
| পৰমাদ | - | প্ৰমাদ বা ভুল |
| উদিশ | - | উৱাদিহ/সন্ধান |
| একেশ্বৰা | - | অকলশৰে |
| বাচৰু/বাছৰু | - | দামুৰি |

## ২.২.৫ অনুশীলনী

### ২.২.৫.১ বোধজ্ঞানৰ অনুশীলনী

**প্ৰশ্ন ১ ঃ** তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক—

ক) ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষাত প্ৰথম কোনে নাট ৰচনা কৰিছিল?

খ) মাধৱদেৱৰ নাটবোৰক কি বুলি কোৱা হয়?

গ) মাধৱদেৱৰ ৰচনাবোৰ কি কি শ্ৰেণীত ভগাব পাৰি?

অসমীয়া সাহিত্যৰ নিৰ্বাচিত পাঠ

ঘ) 'ঝুমুৰা' শব্দটোৰ সৈতে সাদৃশ্য থকা পৰিবেশটো কেনেকুৱা?
ঙ) ঝুমুৰাৰ মূল উৎস কি? *ভোজনবেহাৰ* নাটৰ মূল কি?
চ) কৃষ্ণই যমুনাৰ তীৰৰ পৰিৱেশ দেখি কি কৰিবলৈ মন কৰিছিল?
ছ) গৰুবোৰ দূৰলৈ আঁতৰি যোৱা বুলি কোনে প্ৰথমে মন কৰিছিল?
জ) কৃষ্ণই গৰুবোৰ বিচাৰি নাপাই উলটি আহি কি দেখিলে?
ঝ) গৰুবোৰ কোনে লুকুৱাই থোৱা বুলি ধ্যানযোগে জানিব পাৰিছিল?

**প্ৰশ্ন ২ ঃ** তলত দিয়া শুদ্ধ মন্তব্যবোৰ '✓' চিনেৰে আৰু ভুল মন্তব্যবোৰ '×' চিনেৰে চিনাক্ত কৰক—
ক) শংকৰদেৱে শিশু কৃষ্ণক লৈ নাটক লিখিছিল।
খ) ঝুমুৰাবোৰ চুটি আৰু নৃত্য-গীত প্ৰধান।
গ) *ভোজনবেহাৰ*নাটত *আদি দশম*ৰ ৪১৭ ৰ পৰা ৫১৩ নং পদলৈকে বৰ্ণিত বিষয়বস্তুক নাট্যৰূপ দিয়া হৈছে।
ঘ) মূলৰ অঘাসুৰ বধৰ প্ৰসংগ 'ভোজনবেহাৰ'ত বাদ দিয়া হৈছে।
ঙ) শ্ৰীকৃষ্ণই নিজেই হেৰোৱা গৰুবোৰ বিচাৰিবলৈ বনৰ মাজলৈ সোমাই গৈছিল।
চ) *ভোজনবেহাৰ*নাটৰ কথাবস্তু আহৰণত মাধৱদেৱৰ মূল ভাগৱতকৈ শংকৰদেৱৰ অনূদিত ভাগৱতৰ দশম স্কন্ধৰহে বেছি ওচৰ চাপি গৈছে।
ছ) নাৰদ চৰিত্ৰটো মাধৱদেৱে মূল ভাগৱতৰ সাদৃশ্য ৰক্ষা কৰি নাটকত অন্তৰ্ভুক্ত কৰিছে।
জ) নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজা ৰচনা।
ঝ) নাটকখনিৰ শেষত মুক্তিমংগল ভটিমাৰ ঠাঁচত এটা গীত সংযোগ কৰা হৈছে।

### ২.২.৫.২ বৈয়াকৰণিক অনুশীলনী

(১) তলৰ বাক্যকেইটাৰ বিশেষ্য শব্দবোৰ চিনাক্ত কৰক—
ক) মুৰুলী লেহু শ্যাম বজাৱনকু
খ) শিঙ্গা উপাঙ্গ বেণু বহু বাজত
গ) দাম সুদাম সখিসৱ মিলত
আনন্দে গোবিন্দ বেলাৱতৰে
ঘ) কৃষ্ণক অসংখ্য বৎস বাটি লৈয়া
চলি গৈলা বৃন্দাবনে।
ঙ) পদ্মক বেঢ়িয়া ভ্ৰমৰে গুঞ্জৰে।
চ) হে স্বামী, ত্ৰিভুৱন বিচাৰি যমুনাক তীৰে তোহাৰি পদচিহ্ন ভেট পাৱলো
ছ) বৃন্দাবন মাজে কৃষ্ণ বসিলা আসনে।
ব্ৰহ্মাই কৰিলা চুৰি জানিলা ধিয়ানে।।

(২) তলৰ শব্দবোৰৰ বিপৰীত অৰ্থবোধক আধুনিক অসমীয়া শব্দ একোটাকৈ লিখক—
ছোড়ি, চৱিন, নিশি, বিদূৰ, একেশ্বৰা, প্ৰাতম, হাসি

### ২.২.৫.৩ পঠন অনুশীলনী

১। (ক) মূল নাটকখনি পঢ়ক আৰু তাত থকা কৃষ্ণৰ মানৱীয় আচৰসমূহ আৰু ভগৱানসুলভ আচৰণবোৰ চিনাক্ত কৰক।
(খ) মূল নাটকখনিৰ ভটিমাটো পঢ়ি বুজিবলৈ চেষ্টা কৰক।
(গ) ঝুমুৰাৰ বিষয়ে পৰিচয় দিয়া খণ্ডটো পঢ়ক আৰু *ভোজনবেহাৰ* ঝুমুৰাখন আন ঝুমুৰাকেইখনতকৈ আন কি কি কথাত পৃথক বাছি উলিয়াওক।
(ঘ) *ভোজনবেহাৰ* নাটত নাট্যকাৰৰ মৌলিকত্ব সম্পৰ্কীয় খণ্ডটো পঢ়ি মৌলিক দিশকেইটা চিনাক্ত কৰক।

২। তলৰ পৰিচ্ছেদটো পঢ়ক আৰু তাৰ মূল কথাখিনি টোকা কৰি লওক—

*ভোজন বেহাৰ*নাটকখনত আন ঝুমুৰাসমূহৰ দৰেই কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ এটা প্ৰকাশ কৰা হৈছে। ইয়াৰে এটা হৈছে ভগৱান শ্ৰীকৃষ্ণ আৰু আনটো সাধাৰণ মানৱী শিশু। নাটকখনিত

শিশু কৃষ্ণই তেনেই সাধাৰণ মানৱী শিশুৰ দৰে আচৰণ কৰিছে। আৰম্ভণিতে যশোদাই সাধাৰণ শিশুৰ দৰেই কৃষ্ণক মৰেমেৰে টোপনিৰ পৰা জগাইছে। তাৰ পাছত কৃষ্ণ লগৰীয়াবোৰৰ লগত গৰু চৰাবলৈ ওলাই গৈছে। এই আচৰণবোৰ দেখাত তেনেই সাধাৰণ মানৱী শিশুসুলভ আচৰণ। যমুনাৰ পাৰ পাই তাৰ সৌন্দৰ্য নিৰীক্ষি তেওঁ কিদৰে আনন্দত উঠলি উঠিছে সেয়া আপোনালোকে নিশ্চয় মন কৰিছে। সেই আনন্দতে তেওঁ গোপবালকসকলৰ এগৰাকী হিচাপে কৈছে যে তেওঁলোকে গৰুবোৰ মেলি দি একেলগে আনন্দ কৰিবলৈ ভাল পাব। কিন্তু সকলোবোৰৰ মাজত থাকিলেও তেওঁ আনতকৈ অলপ পৃথক। সেইবাবে আন গোপবালকসকলে ভোজন কৰি থাকোঁতে তেওঁক মাজত বিশেষভাৱে বহুৱাই লৈছে। আকৌ যেতিয়া গৰুবোৰ হেৰাল বুলি শ্ৰীদাম নামৰ গৰখীয়াটিয়ে আহি কৈছে, তেতিয়া তেওঁ অকলশৰে গৰুবোৰ বিচাৰিবলৈ ওলাই গৈছে। তাতোতকৈয়ো উজ্জ্বল ৰূপত তেওঁৰ আন এটা ৰূপ ফুটি ওলাইছে নাৰদৰ মুখত। নাৰদ আহি তেওঁলোকৰ মাজত উপস্থিত হোৱাৰ পাছত নাৰদে যি কৃষ্ণৰ বৰ্ণনা কৰিছে, সেয়া তেওঁৰ ভগৱান ৰূপটো ফুটাই তুলিবৰ বাবে যথেষ্ট। তেওঁ গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিছে যে গোপবালকসকলো নাইকিয়া হ'ল। এই কথা দেখি তেওঁ যি বিলাপ জুৰিছে তাৰ আগত ভক্তবৎসল ভগৱান শ্ৰীকৃষ্ণগৰাকী লুকাই আছে। তদুপৰি তেওঁ ধ্যানযোগে গোৰক্ষ-দামুৰীবোৰ ব্ৰহ্মাই লুকুৱাই থোৱা বুলি জানিব পৰাটোও তেওঁৰ দেৱত্বৰ সূচক। এনেদৰে নাটখনিৰ মাজত মানৱী শিশু আৰু দেৱতা শ্ৰীকৃষ্ণ— এই দুয়োটা ৰূপতে শ্ৰীকৃষ্ণ চৰিত্ৰটো ফুটি ওলোৱাটো আপোনালোকে দেখিবলৈ পাব। এই দুয়োটা ৰূপৰ আঁত ধৰিয়ে শ্ৰীকৃষ্ণৰ দুতৰপীয়া চৰিত্ৰ নাটকখনত ফুটি ওলোৱা বুলি কোৱা হয়।

### ২.২.৫.৪ লিখন অনুশীলনী

১। তলৰ পৰিচ্ছেদটোত একোটাকৈ বাক্য এৰি যোৱা হৈছে। বাক্যকেইটা লিখি পৰিচ্ছেদটো সম্পূৰ্ণ কৰক—

"মাধৱদেৱৰ *ভোজন বেহাৰ*নাটখনি সম্পূৰ্ণ ৰূপত উদ্ধাৰ হোৱা নাই। যদিও দুই এক প্ৰকাশিত গ্ৰন্থত নাটখনিৰ শেষত সমাপ্তিসূচক বাক্য সংযোগ কৰা হৈছে, তথাপি নাটখনি সম্পূৰ্ণ যেন নালাগে। ব্ৰহ্মাই গোপবালকসকল আৰু গৰুবোৰ লুকুৱাই থোৱা বুলি কৃষ্ণই ধ্যানযোগে জানিব পাৰি বিলাপ কৰি থাকোঁতে হঠাতে নাটখন শেষ হৈছে। কাৰণ মূলত কৃষ্ণই যি মায়া গোৰক্ষ-দামুৰীৰ সৃষ্টি কৰিছিল সেয়া কৃষ্ণৰ দেৱত্ব প্ৰতিষ্ঠাৰ বাবে আটাইতকৈ দৰকাৰী কথা আছিল। কিন্তু নাটখনি বৰপেটাৰ ৰভিয়াল ঘৰ নিৰ্মাণৰ পাছত ঘৰটো মুকলি কৰোঁতে অভিনয় কৰা বুলি দৈত্যাৰী ঠাকুৰৰ চৰিত পুথিত উল্লেখ আছে। যিটো কাৰণত নাটখনি অসম্পূৰ্ণ ৰূপতহে বৰ্তমান পঢ়িবলৈ পোৱা যায়।"

২। মূল নাটকৰ পৰা দিয়া তলৰ পৰিচ্ছেদটোত যতিচিহ্নবোৰ উঠাই দিয়া হৈছে। সেইবোৰ সাম্ভাব্য স্থানত পুনৰ ব্যৱহাৰ কৰক—

"আহে সামাজিক লোক যে চৰাচৰ গুৰু নাৰায়ণ যাকেৰি স্ৰজনা সয়ল সংসাৰ ব্ৰহ্মা-মহেশ-বন্দিত-পাদপদ্ম পৰমপুৰুষ পুৰুষোত্তম সৰ্ব্বলোক হিত কাৰণে নন্দক মন্দিৰে বেকত হুয়াকহু কপট গোপবেশে পৰম মঙ্গলৰূপে নানাৰসে খেলনা কয়কহু ব্ৰজবাসীসৰক যৈছন আনন্দ কৰাৱল তা দেখহ শুনহ নিৰন্তৰে হৰি বোল"

৩। (ক) পাঠটোৰ আধাৰত নাটকখনিত মাধৱদেৱৰ কাব্য প্ৰতিভা কি কি দিশত ফুটি ওলাইছে লিখক।

(খ) *ভোজনবেহাৰ* নাটকখন কিয় গুৰুত্বপূৰ্ণ লিখক।

(গ) *ভোজনবেহাৰ* নাটখনিত কৃষ্ণৰ দৈৱী ৰূপৰ বিষয়ে প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা শব্দবোৰৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ চেষ্টা কৰক।

(ঘ) *ভোজনবেহাৰ* নাটৰ সৈতে *আদি দশমৰ* কোন কোন পদৰ সৈতে মিল আছে লিখক।

## ২.২.৬ উত্তৰ সংকেত



### বোধজ্ঞানৰ অনুশীলনী - ১

ক) শংকৰদেৱে

খ) ঝুমুৰা

গ) ভক্তি তত্ত্বমূলক ৰচনা, আখ্যানমূলক ৰচনা, গীত আৰু ভটিমা আৰু নাটক

ঘ) নৃত্য-গীত মুখৰ পৰিবেশ

ঙ) ঝুমুৰাসমূহৰ মূল বিল্বমঙ্গলৰ *কৃষ্ণকৰ্ণামৃত* গ্ৰন্থ। *ভোজন বেহাৰৰ* উৎস *ভাগৱতৰ* আদি দশম।

চ) কৃষ্ণই যমুনাৰ তীৰৰ পৰিৱেশ দেখি গৰুবোৰ চৰিবলৈ মেলি দি ভোজন কৰিবলৈ মন কৰিছিল।

ছ) শ্ৰীদাম

জ) কৃষ্ণই গৰুবোৰ বিচাৰি নাপাই উলটি আহি দেখিলে যে সংগী গোপবালকসকলো তাত নাই।

ঝ) গৰুবোৰ ব্ৰহ্মাই লুকুৱাই থোৱা বুলি ধ্যানযোগে জানিব পাৰিছিল।

### বোধজ্ঞানৰ অনুশীলনী - ২

ক) শংকৰদেৱে শিশু কৃষ্ণক লৈ নাটক লিখিছিল। ×

খ) ঝুমুৰাবোৰ চুটি আৰু নৃত্য-গীত প্ৰধান। ✓

গ) *ভোজনবেহাৰ*নাটত আদি দশমৰ ৪১৭ ৰ পৰা ৫১৩ নং পদলৈকে বৰ্ণিত বিষয়বস্তুক নাট্যৰূপ দিয়া হৈছে। ×

ঘ) মূলৰ অঘাসুৰ বধৰ প্ৰসংগ 'ভোজনবেহাৰ'ত বাদ দিয়া হৈছে। ✓

ঙ) শ্ৰীকৃষ্ণই নিজেই হেৰুৱা গৰুবোৰ বিচাৰিবলৈ বনৰ মাজলৈ সোমাই গৈছিল। ✓

চ) *ভোজনবেহাৰ*নাটৰ কথাবস্তু আহৰণত মাধৱদেৱৰ মূল ভাগৱততকৈ শংকৰদেৱৰ অনূদিত ভাগৱতৰ দশম স্কন্ধৰহে বেছি ওচৰ চাপি গৈছে। ✓

ছ) নাৰদ চৰিত্ৰটো মাধৱদেৱে মূল ভাগৱতৰ লগত সাদৃশ্য ৰক্ষা কৰি নাটকত অন্তৰ্ভুক্ত কৰিছে। ×

জ) নাটকখনিৰ নান্দী শ্লোকটো মাধৱদেৱৰ নিজা ৰচনা। ✓

ঝ) নাটকখনিৰ শেষত মুক্তিমংগল ভটিমাৰ ঠাঁচত এটা গীত সংযোগ কৰা হৈছে।✓

### বৈয়াকৰণিক অনুশীলনী - ১

ক) মুৰুলী, শ্যাম

খ) শিঙ্গা, উপাঙ্গ, বেণু

গ) দাম, সুদাম, সখি, গোবিন্দ

ঘ) কৃষ্ণ, বৎস, বৃন্দাবন

ঙ) পদ্ম, ভ্ৰমৰ

চ) স্বামী, ত্ৰিভূৱন, যমুনা, পদচিহ্ন

ছ) বৃন্দাবন, কৃষ্ণ, আসন, ব্ৰহ্মা

### বৈয়াকৰণিক অনুশীলনী - ২

ছোড়ি - ধৰি

চৱিন - নবীন

নিশি - দিন

বিদূৰ - ওচৰ

একেশ্বৰা- লগেভাগে

প্ৰাতস - সন্ধ্যা

হাসি - কান্দি

## ২.২.৭ অতিৰিক্ত পঠন উপদেশ

*অঙ্কীয়া নাট*, বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা.)
*অঙ্কাৱলী*, কালিৰাম মেধি (সম্পা.)
*মাধৱদেৱঃ সাহিত্য, কলা আৰু দৰ্শন*, কৰবীডেকা হাজৰিকা
*ভোজন বেহাৰ নাট*, সত্যকাম বৰঠাকুৰ (সম্পা.)



ignou
THE PEOPLE'S
UNIVERSITY